**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-05-2026
**Time :** 21-25 Hrs

## ASSAMESE  NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি তৃতীয় দিনা সদনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ মন্ত্ৰী অতুল বৰাই এই বিধেয়ক উত্থাপন কৰে। এই বিধেয়কৰ জৰিয়তে বহুবিবাহ নিষিদ্ধ কৰাৰ লগতে লিভ-ইন সম্পৰ্কত থকা লোকসকলৰ ক্ষেত্ৰত পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈ বিচৰা হৈছে। অৱশ্যে ৰাজ্যখনত বসবাস কৰি থকা অনুসূচিত জনজাতিৰ লোকসকলক এই বিধেয়কে সামৰি নল'ব। বিবাহৰ ক্ষেত্ৰত পুৰুষৰ ন্যূনতম বয়স ২১ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ১৮ বছৰ নিৰ্ধাৰণ কৰাৰ লগতে বহুবিবাহ নিষিদ্ধ কৰিবলৈ বিচৰা হৈছে। আনহাতে আইনী অধিকাৰৰ সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে এই বিধেয়কত বিবাহ আৰু বিবাহ বিচ্ছেদৰ পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈকো বিচৰা হৈছে।

ইয়াৰ জৰিয়তে অসম উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ভিতৰত এই বিধেয়ক উত্থাপন কৰা প্ৰথমখন আৰু দেশৰ ভিতৰত তৃতীয়খন বিজেপি শাসিত ৰাজ্য হিচাপে পৰিগণিত হ'ল। উল্লেখযোগ্য যে চলিত বৰ্ষৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰচাৰিত সংকল্পপত্ৰত বিজেপিয়ে অসমত উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তনৰ প্ৰতিশ্ৰুতি দিছিল। যোৱা ১৩ মে'ত অনুষ্ঠিত ৰাজ্য মন্ত্ৰীসভাৰ বৈঠকত এই বিধেয়কখনত অনুমোদন জনোৱা হৈছিল।

০০০০

বিধানসভাৰ অধিৱেশনত আজি মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী অজন্তা নেওগে মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে সংকল্প প্ৰস্তাৱ উত্থাপন কৰে। শ্ৰীমতী নেওগে কয়, যে দেশৰ মহিলাসকলক আগবঢ়াই নিয়াৰ বাবে সকলোৰে সহায়-সহযোগিতা লাগিব। মহিলাৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে এই সংৰক্ষণ অতি প্ৰয়োজনীয়।

উল্লেখযোগ্য যে, ২৭ মে'ত বিধানসভাৰ অধিৱেশনৰ অন্ত পৰিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৬৬গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। শ্ৰীমতী মুৰ্মুৱে আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ছটা পদ্মভূষণ আৰু ৫৮টা পদ্মশ্ৰী বঁটা প্ৰদান কৰে।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ৫ জন লোকক পদ্ম বিভূষণ, ১৩ জনক পদ্ম ভূষণ আৰু ১১৩ জন লোকক পদ্মশ্ৰী বঁটাকে মুঠ ১৩১ জন লোকলৈ পদ্ম বঁটা আগবঢ়োৱা হৈছে। বাকী থকা ব্যক্তিসকলক এই অনুষ্ঠানৰ দ্বিতীয়

পৰ্যায়ত পদ্ম বঁটাসমূহ প্ৰদান কৰা হ'ব। প্ৰতিবছৰে গণৰাজ্য দিৱসত পদ্ম বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্ৰমা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, অসামৰিক সেৱাকে ধৰি বিভিন্ন খণ্ডত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লোকসকলৰ সন্মানাৰ্থে এই বঁটা প্ৰদান কৰা হয়।

অসমৰ পাঁচগৰাকী ব্যক্তিলৈ পদ্ম সন্মান আগবঢ়োৱা হৈছে। ইয়াৰে কলাৰ ক্ষেত্ৰত হৰিচৰণ শইকীয়া, পখিলা লেকথেপি আৰু নুৰুদ্দিন আহমেদলৈ, কৃষিক্ষেত্ৰত যোগেশ দেউৰীলৈ আৰু ৰাজহুৱা পৰিক্ৰমাত মৰণোত্তৰভাৱে কবিন্দ্ৰ পুৰকায়স্থলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

০০০০

কটন বিশ্ববিদ্যালয়ৰ ১২৬ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অহা ২৭ মে'ত বিশ্ববিদ্যালয়খনৰ কটন এলামনাই ভৱনত প্ৰাক্তন কটনীয়ান সতীৰ্থবৃন্দৰ মত বিনিময় তথা স্মৃতি ৰোমন্থন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সচিব দেবজিৎ শইকীয়া আৰু ৯০ ৰ উৰ্ধৰ কেইবাগৰাকীও প্ৰাক্তন কটনীয়ানক সম্বৰ্ধনা জনোৱা হ'ব। অনুষ্ঠানত  গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য, শিক্ষাবিদ, সাহিত্যিক ড° অমৰজ্যোতি চৌধুৰীয়ে বক্তৃতা প্ৰদান কৰাৰ লগতে প্ৰাক্তন কটনীয়ান শিল্পীসকলে সংগীত পৰিবেশন কৰিব।

০০০০

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাৰ অধ্যক্ষতাত আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ২০২৭ বৰ্ষৰ লোকপিয়ল আৰু গৃহ পিয়লৰ সৈতে জড়িত প্ৰধান লোকপিয়ল বিষয়াসকলৰ ৰাজ্যিক পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হয়। অসম লোকপিয়ল সঞ্চালকালয়ৰ সহযোগত অনুষ্ঠিত এই সন্মিলনত দেশৰ মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্ত, মুখ্য লোকপিয়ল বিষয়া, ৰাজ্যিক ন'ডেল বিষয়া, সকলো জিলাৰ জিলা আয়ুক্তকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে ২০২৭ বৰ্ষৰ লোকপিয়ল প্ৰথমবাৰৰ বাবে ডিজিটেল পদ্ধতিৰে পৰিচালনা কৰা হ'ব আৰু গৃহ তালিকা, গৃহ পিয়ল আৰু জনসংখ্যা গণনা দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। লোকপিয়লৰ প্ৰথম পৰ্যায়ত গৃহ আৰু পৰিয়ালৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব। প্ৰথম পৰ্যায়ৰ জৰিয়তে সংগৃহীত তথ্যই সমগ্ৰ দেশৰ লগতে অসমৰ গ্ৰামাঞ্চল, নগৰাঞ্চল, গৃহ নিৰ্মাণ, আন্তঃগাঁথনি আৰু মৌলিক সেৱা প্ৰদানৰ বাবে পৰিকল্পনা কৰাৰ ক্ষেত্ৰত, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক যথেষ্ট সহায় কৰিব। গৃহ তালিকা আৰু গৃহ পিয়লৰ জৰিয়তে সংগৃহীত নৱীকৃত আৰু প্ৰাথমিক তথ্যসমূহে সমগ্ৰ ৰাজ্যতে বানপ্ৰৱণ অঞ্চল, নগৰ সম্প্ৰসাৰণ, চাহ বাগিচা অঞ্চল, জনজাতীয় অঞ্চলৰ বাবে উন্নত পৰিকল্পনা আৰু বিভিন্ন সামাজিক খণ্ডৰ আঁচনি ৰূপায়ণত সহায় কৰিব। আনহাতে গৃহ আৰু পৰিয়ালৰ সুবিধা সমূহৰ সঠিক তথ্যই ৰাজ্যিক গ্ৰামাঞ্চল আৰু নগৰাঞ্চলৰ উভয়তে গৃহ নিৰ্মাণ, খোৱাপানী, শৌচালয়, বিদ্যুৎ আৰু ডিজিটেল সংযোগৰ সৈতে জড়িত কাম-কাজসমূহ ভালদৰে ৰূপায়ণ কৰাত যথেষ্ট সহায়ক হ'ব।

ৰাজ্য চৰকাৰে লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ বাবে ৰাষ্ট্ৰীয় সময়সূচী ১৭ আগষ্টৰ পৰা ১৫ ছেপ্তেম্বৰলৈ নিৰ্ধাৰণ কৰি অধিসূচনা জাৰি কৰিছে। অসমত প্ৰথম পৰ্যায়ৰ বাবে স্ব-গণনা ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ চৰকাৰী প'ৰ্টেলৰ জৰিয়তে উপলব্ধ হ'ব। দেশৰ আন কেন্দ্ৰীয়শাসিত অঞ্চলৰ লগতে অসমতো ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত জনসংখ্যা গণনা কৰা হ'ব। আজিৰ বৈঠকত ক্ষেত্ৰ পৰিচালনা, প্ৰশিক্ষণ, ডিজিটেল আন্তঃগাঁথনি, পৰ্যবেক্ষণ আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে বিভিন্ন প্ৰস্তুতিৰ সম্পৰ্কে পৰ্যালোচনা কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচী চলোৱাৰ বাবে অসমৰ পৰা দুজন ৰাষ্ট্ৰীয় প্ৰশিক্ষক নিৰ্বাচিত কৰা হৈছে। ৰাজ্যত মুঠ ৫৯ জন অভিজ্ঞ প্ৰশিক্ষক নিয়োগ কৰা হৈছে। ৰাজ্যত

লোকপিয়লৰ প্ৰথম পৰ্যায়ত সংৰক্ষিত কৰ্মীকে ধৰি মুঠ প্ৰায় ৮৩ হাজাৰ ৫৩৫ জন গণনাকাৰী আৰু পৰ্যবেক্ষক নিয়োগ কৰা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ